
# পৰিৱেশ অৰ্থবিজ্ঞান



অপূৰ্ব শইকীয়া

# সূচীপত্ৰ

প্ৰথম অধ্যায় ঃ **অৰ্থবিজ্ঞান আৰু পৰিৱেশ** ১-৬৭

১.১ পৰিৱেশ ১.২ পৰিৱেশ অৰ্থবিজ্ঞানৰ সংজ্ঞা ১.৩ পৰিৱেশ - অৰ্থবিজ্ঞানৰ উৎপত্তি ১.৪ পৰিৱেশ অৰ্থবিজ্ঞানৰ উদ্দেশ্য ১.৫ পৰিৱেশ অৰ্থবিজ্ঞানৰ বিষয়বস্তু ১.৬ পৰিৱেশ বিদ্যা ১.৭ পৰিৱেশ আৰু অৰ্থনীতিৰ আন্তঃসম্পৰ্ক ১.৮ জনসংখ্যা-পৰিৱেশৰ আন্তঃসম্পৰ্ক ১.৯ পৰিৱেশ অৰ্থবিজ্ঞানৰ ঔচিতাত্মক বৈশিষ্ট্য ১.১০ পৰিৱেশ অৰ্থবিজ্ঞান আৰু অৰ্থবিজ্ঞান ১.১১ পৰিৱেশ অৰ্থবিজ্ঞান আৰু সম্পদ অৰ্থবিজ্ঞান ১.১২ পৰিৱেশ অৰ্থবিজ্ঞান আৰু পৰিস্থিতি অৰ্থবিজ্ঞান ১.১৩ পৰিৱেশ দ্ৰব্য ১.১৪ পৰিৱেশ দ্ৰব্যৰ ব্যৱহাৰ আৰু অব্যৱহাৰৰ মূল্য ১.১৫ পৰিৱেশ দ্ৰব্যৰ চাহিদা নিৰ্দ্ধাৰণ১.১৬ পৰিৱেশ সেৱা ১.১৭ পৰিৱেশৰ গুণাগুণ ১.১৮ অৰ্থনৈতিক সম্পদ হিচাপে পৰিৱেশ ১.১৯ সামাজিক সম্পদ হিচাপে পৰিৱেশ ১.২০ চক্ৰীয় প্ৰৱাহ আৰ্হি ১.২১ বস্তুগত সন্তুলিত আৰ্হি ১.২২ এণ্ট্ৰপিবিধি ১.২৩ বহনযোগ্য উন্নয়ন ১.২৪ পৰিৱেশ নীতিৰ পৰিকল্পনা ১.২৫ নিৰ্বননীকৰণ ১.২৬ জৈৱ বৈচিত্ৰ্যতা ১.২৭ জৈৱ বৈচিত্ৰ্যতাৰ স্তৰ ১.২৮ ভাৰতবৰ্ষৰ জৈৱ ভৌগোলিক শ্ৰেণীবিভাজন ১.২৯ বৈচিত্ৰ্যতাৰ মূল্য ১.৩০ গোলকীয় জৈৱ বৈচিত্ৰতা ১.৩১ ৰাষ্ট্ৰীয় আৰু আঞ্চলিক স্তৰত জৈৱ বৈচিত্ৰ্যতা ১.৩২ আতিমাত্ৰা জৈৱ বৈচিত্ৰ্যতাৰ দেশ হিচাবে ভাৰতবৰ্ষ ১.৩৩ জৈৱ বৈচিত্ৰ্যতাৰ হট-স্পট ১.৩৪ জৈৱ বৈচিত্ৰ্যতাৰ প্ৰতি ভাবুকি ১.৩৫ মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত ১.৩৬ মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত নিৰাময়ৰ ব্যৱস্থা ১.৩৭ ভাৰতৰ কেইটামান বিপন্ন জীৱ ১.৩৮ জৈৱ বৈচিত্ৰ্যতা সংৰক্ষণৰ প্ৰয়োজনীয়তা।

দ্বিতীয় অধ্যায় ঃ **সম্পদৰ প্ৰবাহ আৰু পৰিৱেশ প্ৰদূষণ** ৬৮-১১১

২.১ সম্পদৰ প্ৰবাহ ২.২ সম্পদ অৰ্থবিজ্ঞান ২.৩ নবীযোগ্য আৰু নিঃশেষী সম্পদ ২.৪ বস্তুগত আৰু শক্তি সম্পদ ২.৫ সম্পদ নাটনিৰ

জোখ ২.৬ সম্পদ আৰু অৱশিষ্ট ২.৭ অৱশিষ্ট আৰু প্ৰদূষক ২.৮ পৰিৱেশ প্ৰদূষণ ২.৯ প্ৰদূষণৰ সংজ্ঞা ২.১০ প্ৰদূষকৰ প্ৰকাৰ ২.১১ প্ৰদূষকৰ শ্ৰেণীবিভাগ ২.১২ পৰিৱেশ প্ৰদূষণৰ পৰিসৰ চিনাক্তকৰণ ২.১৩ প্ৰদূষণৰ উৎস ২.১৪ কেইটামান গুৰুত্বপূৰ্ণ মানৱসৃষ্ট প্ৰদূষণ ২.১৫ উৎপাদন সম্ভাব্য ৰেখা ২.১৬ উৎপাদ সম্ভাব্য ৰেখাৰ সহায়ত ভাৰসাম্য ২.১৭ বৰ্তমান আৰু ভৱিষ্যত বংশধৰৰ বাবে পৰিৱেশৰ গুণাগুণ বাছনি।

তৃতীয় অধ্যায় : ৰাজহুৱা দ্ৰব্য ১১২-১৫৯

৩.১ ৰাজহুৱা দ্ৰব্য ৩.২ ৰাজহুৱা দ্ৰব্যৰ বৈশিষ্ট্য ৩.৩ ৰাজহুৱা দ্ৰব্য আৰু ব্যক্তিগত দ্ৰব্যৰ পাৰ্থক্য ৩.৪ ৰাজহুৱা দ্ৰব্য আৰু ৰাজহুৱা ক্ষতিকাৰক ৩.৫ ৰাজহুৱা ক্ষতিকাৰকৰ চাহিদা আৰু যোগান ৩.৬ ৰাজহুৱা ক্ষতিকাৰকৰ ক্ষেত্ৰত উদ্ভৱ হোৱা ৰাহিৰ মাপ ৩.৭ ৰাজহুৱা দ্ৰব্যৰ কাম্য যোগান ৩.৮ লাভ-ব্যয় বিশ্লেষণ ৩.৯ ৰাজহুৱা দ্ৰব্য আৰু ক্ষতিকাৰকৰ বজাৰ ব্যৱস্থাৰ যোগেদি যোগান ৩.১০ ৰাজহুৱা দ্ৰব্যৰ দক্ষ দৰ নিৰ্ধাৰণ ৩.১১ বাজেট আৰু উৎপাদকৰ কাম্য দৰ ৩.১২ ৰাজহুৱা দ্ৰব্যৰ বজাৰত বিতৰণমূলক দক্ষতা ৩.১৩ ৰাজহুৱা দ্ৰব্য আৰু ৰাজহুৱা ক্ষতিকাৰকৰ কাম্য যোগান ৩.১৪ ৰাজহুৱা দ্ৰব্য হিচাপে পৰিৱেশৰ গুণাগুণ ৩.১৫ বাহ্যিকতা ৩.১৬ যোগাত্মক আৰু ঋণাত্মক বাহ্যিকতা ৩.১৭ পৰিৱেশ বাহ্যিকতা ৩.১৮ পৰিৱেশৰ অৱনতি এক ঋণাত্মক বাহ্যিকতা ৩.১৯ ৰাজহুৱা দ্ৰব্য আৰু বাহ্যিকতাৰ মাজৰ সম্পৰ্ক ৩.২০ গোলকীয়া জলবায়ুৰ পৰিৱৰ্তন।

চতুৰ্থ অধ্যায় : পৰিৱেশীয় গুণাগুণ আৰু বজাৰ প্ৰক্ৰিয়া ১৬০-২১৬

৪.১ পৰিৱেশীয় গুণাগুণ ৪.২ বজাৰ ৪.৩ পৰিৱেশীয় গুণাগুণ সম্বন্ধীয় বজাৰ ৪.৪ প্ৰতিযোগিতামূলক বজাৰৰ ভাৰসাম্য ৪.৫ প্ৰতিযোগিতামূলক বজাৰৰ প্ৰতিষ্ঠানৰ ভাৰসাম্য ৪.৬ দক্ষতা ৪.৭ প্ৰতিযোগিতামূলক বজাৰত ভাৰসাম্য অৱস্থাত বিতৰণৰ দক্ষতা ৪.৮ দক্ষতাৰ আৰ্থিক নিৰ্ণায়ক ৪.৯ কাৰিকৰী দক্ষতা ৪.১০ বজাৰ বিফলতা ৪.১১ বজাৰ বিফলতাৰ কাৰণসমূহ ৪.১২ পৰিৱেশীয় দ্ৰব্যৰ ক্ষেত্ৰত বজাৰ বিফলতা ৪.১৩ কল্যাণৰ মাপ/উপভোক্তা আৰু উৎপাদকৰ ৰাহি ৪.১৪ সামাজিক কল্যাণত চৰকাৰী নীতিৰ পৰিণাম ৪.১৫ পৰিৱেশ সংৰক্ষণ ৪.১৬ সামাজিক পছন্দ নিৰ্দ্ধাৰণৰ কৌশল ৪.১৭ সামাজিক কল্যাণ কাৰ্য্য ৪.১৮ বহিষ্কৰণ আৰু সমূহীয়া সম্পদ ৪.১৯ পৰিৱেশ সমস্যা সমাধানত চৰকাৰী হস্তক্ষেপৰ প্ৰয়োজনীয়তা ৪.২০ ক'ৱাজৰ তত্ব ১.২১ ক'ৱাজৰ তত্বৰ সীমাবদ্ধতা ৪.২২ ক'ৱাজৰ তত্বৰ গুৰুত্ব।

পঞ্চম অধ্যায় : পৰিৱেশ নিয়ন্ত্ৰণ ২১৭-২৫২

৫.১ পৰিৱেশ নিয়ন্ত্ৰণ ৫.২ পৰিৱেশ নিয়ন্ত্ৰণত চৰকাৰৰ ভূমিকা ৫.৩ চৰকাৰ, প্ৰদূষক আৰু উপভোক্তাৰ মাজত ঘাত-প্ৰতিঘাত ৫.৪ প্ৰদূষণ নিয়ন্ত্ৰণৰ পদ্ধতি ৫.৫ পৰিৱেশ নীতিত মানদণ্ডৰ ব্যৱহাৰ ৫.৬ পৰিৱেশ মানদণ্ডৰ প্ৰকাৰ ৫.৭ মানদণ্ড ব্যৱহাৰৰ আৰ্থিক তাৎপৰ্য ৫.৮ প্ৰদূষণ হ্ৰাসৰ প্ৰান্তিক সামাজিক লাভ ৫.৯ প্ৰদূষণ হ্ৰাসৰ প্ৰান্তিক সামাজিক ব্যয় ৫.১০ প্ৰদূষণ হ্ৰাসৰ কাম্য মানদণ্ড ৫.১১ কাম্য প্ৰদূষণ হ্ৰাসৰ মানদণ্ড ধাৰ্য কৰাত প্ৰতিবন্ধকতা ৫.১২ পৰিৱেশ নীতিৰ ব্যয় ফলপ্ৰসূতা ৫.১৩ সম মানদণ্ডৰ ব্যয় ফলপ্ৰসূতা ৫.১৪ দুজন প্ৰদূষকৰ আৰ্হিৰ সহায়ত ব্যয় ফলপ্ৰসূতাৰ সমাধান ৫.১৫ কাম্যতাৰ সমপ্ৰান্তিক নীতি ৫.১৬ বজাৰ পদ্ধতি ৫.১৭ আদেশ আৰু নিয়ন্ত্ৰণ পদ্ধতিতকৈ বজাৰ পদ্ধতিৰ উৎকৃষ্টতা।

ষষ্ঠ অধ্যায় : বহনযোগ্য উন্নয়ন ২৫৩-২৬৮

৬.১ বহনযোগ্য উন্নয়ন ৬.২ বহনযোগ্য উন্নয়নৰ কেইটামান গুৰুত্বপূৰ্ণ সংজ্ঞা ৬.৩ অবহনযোগ্য আৰু বহনযোগ্য উন্নয়নৰ ইংগিত বহনকাৰী কেতবোৰ উপাদান ৬.৪ বহনযোগ্য উন্নয়নৰ মূল উপাদানসমূহ ৬.৫ পৰিৱেশ সম্পৰ্কীয় হিচাপ ৬.৬ পৰিৱেশ সম্পৰ্কীয় হিচাপ পৰীক্ষা ৬.৭ পৰিৱেশ সম্পৰ্কীয় প্ৰভাৱ মূল্যাংকন ৬.৮ পৰিৱেশ সম্পৰ্কীয় কুজনেট ৰেখা ৬.৯ বহনযোগ্য উন্নয়নৰ বাবে ব্যৱস্থা ৬.১০ বহনযোগ্য উন্নয়ন আৰু ভাৰতবৰ্ষ।

সপ্তম অধ্যায় : উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশ ২৬৯-২৮৮

৭.১ অসমৰ পৰিৱেশ ৭.২ অসমৰ পৰিৱেশ অৱনতি ঘটাৰ কাৰণ ৭.৩ অসমৰ পৰিৱেশ উন্নত কৰাৰ অৰ্থে গ্ৰহণ কৰা ব্যৱস্থাৱলী ৭.৪ উত্তৰ পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ্যতা ৭.৫ উত্তৰ পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ্যতা ধ্বংস হোৱাৰ কাৰণ ৭.৬ উত্তৰ পূৰ্বাঞ্চলত জৈৱ বৈচিত্ৰ্যতা সংৰক্ষণৰ কেইটামান উপায় ৭.৭ উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশ অৱনতি হোৱাৰ কেইটামান কাৰণ।

অষ্টম অধ্যায় ঃ উন্নয়নশীল দেশৰ পৰিৱেশ নীতি আৰু বিশ্ব বাণিজ্য সংস্থা ২৮৯-৩৫৫

৮.১ উন্নত আৰু উন্নয়নশীল দেশৰ পৰিৱেশ সমস্যা ৮.২ উন্নত আৰু উন্নয়শীল দেশৰ পৰিৱেশ নীতি নিৰ্বাচন ৮.৩ ভাৰতবৰ্ষৰ পৰিৱেশ ৮.৪ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে সাংবিধানিক ব্যৱস্থা ৮.৫ ভাৰতবৰ্ষৰ পৰিৱেশ সমস্যা ৮.৬ ভাৰতবৰ্ষৰ পৰিৱেশ সংৰক্ষণৰ বাবে লোৱা কাৰ্যব্যৱস্থা ৮.৭ ভাৰতবৰ্ষৰ পৰিৱেশ প্ৰদূষণৰ পৰিণতি ৮.৮ ভাৰতবৰ্ষৰ পৰিৱেশ উন্নত কৰিবলৈ লোৱা ব্যৱস্থাৱলী ৮.৯ উন্ন শীল দেশৰ বৈশিষ্ট্য ৮.১০ উন্নয়নশীল দেশৰ পৰিৱেশ নীতিবাছনি ৮.১১ মালয়েছিয়াৰ Palm Oil Mills-উন্নয়নশীল দেশৰ বাবে এক দৃষ্টান্ত ৮.১২ বিশ্ব বাণিজ্য সংস্থা (W.T.O.) ৮.১৩ বিশ্ব পৰিৱেশ ৮.১৪ W.T.O. আৰু বিশ্ব পৰিৱেশ ৮.১৫ বিশ্বজনীন উষ্ণতা/ সেউজগৃহৰ প্ৰভাৱ ৮.১৬ অ'জনস্তৰৰ ক্ষয় ৮.১৭ প্ৰদূষণ ভু-স্বৰ্গ প্ৰকল্প ৮.১৮ সীমা অতিক্ৰমী হোৱা প্ৰদূষণ ৮.১৯ পৰিৱেশ সম্বন্ধীয় আইন ৮.২০ জলপ্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন ৮.২১ বায়ুপ্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন ৮.২২ পৰিৱেশ সংৰক্ষণ আইন (১৯৮৬) ৮.২৩ বন্যপ্ৰাণী সংৰক্ষণ আইন ৮.২৪ বন (সংৰক্ষণ) আইন (১৯৮০) ৮.২৫ পৰিৱেশ আইনবোৰৰ কিছুমান সীমাবদ্ধতা ৮.২৬ পৰিৱেশ আইন প্ৰয়োগৰ ক্ষেত্ৰত দেখা দিয়া প্ৰধান সমস্যাবোৰ ৮.২৭ জনসচেতনতা।

পৰিশিষ্ট ঃ সহায় লোৱা গ্ৰন্থপঞ্জীৰ তালিকা ৩৫৬

বিশ্ববিদ্যালয়ৰ প্ৰশ্নাৱলী ৩৫৭-৩৬৪




প্ৰথম অধ্যায়

# অৰ্থবিজ্ঞান আৰু পৰিৱেশ
# Economics and Environment

## ১.১. পৰিৱেশ (Environment)ঃ

পৰিৱেশ বুলিলে বায়ুমণ্ডল, ভূমণ্ডলকে ধৰি জীৱ আৰু উদ্ভিদক পৰিবেষ্টিত কৰি ৰখা বিভিন্ন উপাদানৰ সমষ্টি আৰু সিহঁতৰ মাজৰ আন্তঃসম্পৰ্কক বুজা যায়। বায়ু, পানী আৰু মাটিক পৰিৱেশৰ মূল উপাদান হিচাপে গণ্য কৰা হয়। পৰিৱেশৰ উপাদানবোৰৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে এটা উপাদানে আনবোৰ উপাদানৰ ওপৰত ক্ৰিয়া কৰে। সেয়ে এটা উপাদানৰ গঠনত হোৱা পৰিৱৰ্তনৰ প্ৰভাৱ আনবোৰ উপাদানৰ ক্ষেত্ৰত দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে বায়ুমণ্ডলত দেখা দিয়া পৰিৱৰ্তনৰ প্ৰভাৱ ভূ-মণ্ডলত প্ৰতিফলিত হয়। পৰিৱেশৰ উপাদানবোৰক চিত্ৰ নং-১ ত দেখুওৱা হ'ল।




চিত্ৰ নং-১

ওপৰৰ চিত্ৰত পৰিৱেশৰ উপাদানবোৰক জৈৱিক আৰু অজৈৱিক এই দুটা ভাগত বিভক্ত কৰি দেখুওৱা হৈছে। উদ্ভিদ, প্ৰাণী আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ অনুজীৱৰ দৰে উপাদানবোৰ জীয়াই থকা আৰু বংশবৃদ্ধিৰ বাবে বায়ু, পানী, মাটিৰ দৰে উপাদান অপৰিহাৰ্য। জৈৱিক উপাদানবোৰৰ বাবে প্ৰয়োজনীয় এই উপাদানবোৰ অজৈৱিক উপাদানবোৰে যোগান ধৰে। এনেদৰে পৰিৱেশৰ উপাদানবোৰ পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল হৈ জীৱ আৰু উদ্ভিদৰ বাবে অনুকুল পৰিৱেশ সৃষ্টি কৰে। এই উপাদানবোৰৰ মাজত আন্তঃসম্পৰ্ক ইমানেই বেছি যে এটা উপাদানত হোৱা পৰিৱৰ্তনে আনবোৰ উপাদানত প্ৰভাৱ পেলায়। পৰিৱেশৰ উপাদানবোৰৰ আন এক বৈশিষ্ট্য হৈছে বিভিন্ন পৰিৱেশত উপাদানবোৰৰ গঠন, প্ৰকৃতি আৰু উপস্থিতি বেলেগ বেলেগ হ'ব পাৰে।

## ১.২. পৰিৱেশ অৰ্থবিজ্ঞানৰ সংজ্ঞা (Definition of Environmental Economics)ঃ

অৰ্থনৈতিক কাৰ্যকলাপৰ পৰিৱেশৰ ওপৰত প্ৰভাৱ, অৰ্থনীতি আৰু পৰিৱেশৰ মাজৰ আন্তঃসম্পৰ্ক আৰু অৰ্থনৈতিক ধাৰণা বিধি আৰু তত্ত্বৰ আধাৰত প্ৰস্তুত কৰা